# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 13-06-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

***::::::::::::::::::::::::::::::::***

১। আহমেদাবাদৰ বিমান দুৰ্ঘটনা সংঘটিত হোৱা স্থানৰ পৰা এটা ডিজিটেল ভিডিঅ' ৰেকৰ্ডাৰ উদ্ধাৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দুৰ্ঘটনাৰ স্থান পৰিদৰ্শন।

২। ধুবুৰী চহৰৰ আইন-শৃংখলা আৰু সাম্প্ৰদায়িক সম্প্ৰীতি অটুট ৰাখিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে জিলা প্ৰশাসনক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ।

৩। লাচিত বৰফুকনৰ বীৰত্বপূৰ্ণ জীৱনগাথা সমগ্ৰ দেশতে প্ৰচাৰৰ বাবে দেশৰ ৪৫ হাজাৰ পুথিভঁড়াললৈ মহাবীৰ লাচিত বৰফুকন গ্ৰন্থ প্ৰেৰণ।

৪। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ লোকপাল আঁচনি- ২০২১ সন্দৰ্ভত মৰিগাঁৱত বিত্তীয় সাক্ষৰতা কাৰ্যসূচী। ***আৰু***

৫। আই চি চি টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে জয়লাভৰ বাবে দক্ষিণ আফ্ৰিকাক দ্বিতীয় ইনিংছত ২৮২ ৰানৰ প্ৰয়োজন।

০০০০

এয়াৰ ট্ৰেফিক সেৱা চমুকৈ এ টি এছৰ দলে আহমেদাবাদৰ বিমান দুৰ্ঘটনা সংঘটিত হোৱা স্থানৰ পৰা এটা ডিজিটেল ভিডিঅ' ৰেকৰ্ডাৰ উদ্ধাৰ কৰিছে। বিমান কৰ্তৃপক্ষই এতিয়ালৈকে দুৰ্ঘটনাগ্ৰস্ত বিমানখনৰ ব্লেকবক্স উদ্ধাৰ কৰা সন্দৰ্ভত কোনো ধৰণৰ আনুষ্ঠানিক ঘোষণা কৰা নাই। আহত লোকসকলৰ জীৱন বচোৱাৰ আশাৰে বহু সংখ্যক লোকে অসামৰিক চিকিৎসালয়ত ৰক্তদান কৰিবলৈ অহাৰ কথা আমাৰ আহমেদাবাদৰ সংবাদদাতাই জনাইছে। সেনা বাহিনীয়েও আহমেদাবাদৰ সামৰিক কেণ্টনমেণ্টত ৰক্তদান শিবিৰৰ আয়োজন কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিমানখন দুৰ্ঘটনাগ্ৰস্ত হোৱা স্থান পৰিদৰ্শন কৰে। তেওঁ কালিৰ বিমান দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীৰ পৰিয়ালকো সাক্ষাৎ কৰে। আজি পুৱা প্ৰধানমন্ত্ৰীয়ে আহমেদাবাদৰ অসামৰিক চিকিৎসালয়ত বিমান দুৰ্ঘটনাটোত প্ৰাণ ৰক্ষা পৰা একমাত্ৰ ব্যক্তি- ভাৰতীয় মূলৰ ব্ৰিটিছ নাগৰিক বিশ্বাস কুমাৰ ৰমেশকো সাক্ষাৎ কৰি তেওঁৰ অৱস্থাৰ বুজ লয়। শ্ৰী ৰমেশে পাছত তেওঁৰ প্ৰাণৰক্ষা পৰা সেই শ্বাসৰুদ্ধকৰ অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰে।

*(বাইট ঃ বিশ্বাস কুমাৰ ৰমেশ)*

প্ৰধানমন্ত্ৰীয়ে আজি আহমেদাবাদত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে চিনাক্ত হোৱা মৃতদেহসমূহ মৰনোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ পাছত পৰিয়ালক গতাই দিয়া কাম আৰম্ভ কৰা হৈছে। বৰ্তমানলৈ ছটা মৃতদেহ পৰিয়ালৰ সদস্যক গতাই দিয়া হৈছে।

উল্লেখযোগ্য যে, এয়াৰ ইণ্ডিয়াৰ বয়িং 787-8 শ্ৰেণীৰ বিমানখন কালি দুৰ্ঘটনাত পতিত হোৱাৰ ফলত চালক দলৰ সদস্যকে ধৰি ২৪১ গৰাকী আৰোহী নিহত হোৱাৰ লগতে বিমানখন পতিত হোৱা আহমেদাবাদৰ বি-জে মেডিকেল কলেজৰ ছাত্ৰাবাসৰো কমেও  কেইবাজনো আবাসী নিহত হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, কালি দুপৰীয়া আহমেদাবাদ বিমান বন্দৰৰ পৰা লণ্ডন অভিমুখে উৰা মৰাৰ ঠিক পাছতেই এয়াৰ ইণ্ডিয়াৰ ড্ৰিমলাইনাৰ বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয়।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ধুবুৰী চহৰৰ আইন-শৃংখলা আৰু সাম্প্ৰদায়িক সম্প্ৰীতি অটুট ৰখাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে জিলা প্ৰশাসনক নিৰ্দেশ দিছে। সন্ধিয়া আৰু নিশাৰ ভাগত দুষ্কৃতিকাৰীক দেখা মাত্ৰকে গুলীওৱাৰ আনুষ্ঠানিক নিৰ্দেশ আজি সন্ধিয়াৰ ভিতৰতে জাৰি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে। আজি ধুবুৰীৰ আৰৰ্ত ভৱনত জিলা প্ৰশাসনৰ উচ্চ পদস্থ বিষয়াসকলৰ সৈতে জিলাখনৰ আইন-শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা কালত মুখ্যমন্ত্ৰীয়ে এই নিৰ্দেশ দিয়ে। বিগত কেইবাদিনো ধৰি ধুবুৰীৰ পৰিস্থিতি অশান্ত হৈ থকাৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড০ শৰ্মা আজি দুপৰীয়াৰ ভাগত ধুবুৰীত উপস্থিত হয়। তেওঁ জিলা প্ৰশাসনক শান্তি শৃংখলা অটুট ৰখাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়ে। ধুবুৰীলৈ শীঘ্ৰে ৰেপিড এক্সন ফোৰ্চ আৰু কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ অতিৰিক্ত বেটেলিয়ান পঠিওৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

ধুবুৰী ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই সৰ্বসাধাৰণ ৰাইজৰ সৈতেও মত বিনিময় কৰি জিলাখনলৈ শীঘ্ৰে স্বাভাৱিক অৱস্থা ঘূৰাই অনা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। মুখ্যমন্ত্ৰীয়ে আজি ধুবুৰীৰ হনুমান মন্দিৰলৈকো যায় আৰু মন্দিৰ চৌহদৰ ভিতৰত যাতে কোনো অবাঞ্চনীয় ঘটনা ঘটিব নোৱাৰে সেয়া সুনিশ্চিত কৰা হ'ব বুলি মন্দিৰ কৰ্তৃপক্ষক আশ্বাস দিয়ে।

০০০০

ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনে ধুবুৰীৰ সাম্প্ৰতিক পৰিস্থিতিক কঠোৰ হাতেৰে দমন কৰিবলৈ জিলা প্ৰশাসনৰ প্ৰতি আহ্বান জনাইছে। সাম্প্ৰতিক ঘটনাৱলীৰ সৈতে যি চক্ৰই জড়িত নাথাকক কিয় সেইসকলক  বিচাৰি উলিয়াই কঠোৰ শাস্তি বিহিব লাগিব বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে। এই ক্ষেত্ৰত প্ৰশাসনক সহায়-সহযোগ কৰিবলৈ তেওঁ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

সাংসদ হুছেইনে কালি ধুবুৰী আৰৰ্ত ভৱনত জিলাখনত সাংসদ পুঁজিৰ ধনেৰে নিৰ্মিত কাম-কাজৰ পৰ্যালোচনা কৰে। তেওঁ জিলাখনৰ খহনীয়া প্ৰতিৰোধ আৰু বান নিয়ন্ত্ৰণ কৰাৰ লগতে সমগ্ৰ অসমৰে বান সমস্যা ৰাষ্ট্ৰীয় সমস্যা বুলি স্বীকৃতি দি ইয়াৰ সমাধানৰ বাবে প্ৰচেষ্টা চলাবলৈ চৰকাৰক আহ্বান জনায়। তেওঁ ধুবুৰী জিলাৰ ক্ৰীড়া সন্থাৰ বিষয়ববীয়াসকলৰ সৈতেও এখন বৈঠকত মিলিত হয়।

০০০০

অসম চৰকাৰে লাচিত বৰফুকনৰ বীৰত্বপূৰ্ণ জীৱনগাথা সমগ্ৰ দেশতে প্ৰচাৰৰ বাবে দেশৰ ৪৫ হাজাৰ পুথিভঁড়াললৈ মহাবীৰ লাচিত বৰফুকন শীৰ্ষক এখনি গ্ৰন্থ প্ৰেৰণ কৰিছে। এই সন্দৰ্ভত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই জনোৱা অনুসৰি  লাচিত বৰফুকনৰ জীৱন সন্দৰ্ভত এখন গ্ৰন্থ ৰচনা কৰি ভাৰতৰ সংবিধান স্বীকৃত আটাইকেইটা ভাষালৈ অনুবাদ কৰাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম প্ৰকাশন পৰিষদক দায়িত্ব অৰ্পন কৰিছিল। সেই অনুসৰি বিশিষ্ট লেখক অৰূপ কুমাৰ দত্তক গ্ৰন্থখন ৰচনাৰ দায়িত্ব দিয়া হয়। তেওঁ লগতে কয়, যে নিৰ্দিষ্ট সময়ৰ ভিতৰত সংবিধান স্বীকৃত আটাইকেইটা ভাষালৈ গ্ৰন্থখন অনুবাদ কৰাৰ বাবে সমগ্ৰ দেশতে মুঠ ২৩ গৰাকী অনুবাদকক দায়িত্ব অৰ্পন কৰা হয়। এই অনুবাদ কাৰ্য্য শেষ হোৱাৰ পাছত ২৩ টা ভাষাৰ পৰা একোগৰাকীকৈ সম্পাদকক গ্ৰন্থখন সম্পাদনা কৰাৰ বাবে পৰিষদে নিযুক্তি দিছিল। লেখক অৰূপ কুমাৰ দত্তই ৰচনা কৰা **আচামছ্ ব্ৰেভহাৰ্ট লাচিত বৰফুকন** নামৰ মূল গ্ৰন্থখনৰ পৰা মুঠ ২৪ টা ভাষালৈ ইয়াক অনুবাদ কৰা হয়। দেশৰ কেইবাখনো আগশাৰীৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ে তেওঁলোকৰ পুথিভঁড়ালৰ গুৰুত্বপূৰ্ণ গ্ৰন্থৰ তালিকাত এই গ্ৰন্থখনো ৰখা বুলি অসম প্ৰকাশন পৰিষদৰ সচিবগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

গুৱাহাটীকে ধৰি ৰাজ্যখনৰ বিভিন্ন ঠাইত চলি থকা অতিপাত গৰম আৰু আৰ্দ্ৰ পৰিবেশৰ পৰা ৰাইজে পৰৱৰ্তী ৪৮ ঘণ্টাত কিছু  সকাহ পোৱাৰ সম্ভাৱনা আছে। বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা অনুসৰি আজি নিশাৰ ভাগলৈ গুৱাহাটী আৰু উপকণ্ঠ অঞ্চলত গাজনি ধেৰেকনিৰে মজলীয়া ধৰণৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। দেওবাৰৰ পৰা ৰাজ্যখনৰ বিভিন্ন অঞ্চলত কেইবাদিনো ধৰি বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰৰ আগলি বতৰাত কোৱা হৈছে। আজি ৰাজ্যখনৰ ভিতৰত ডিব্ৰুগড়ত সৰ্বোচ্চ ৩৮ দশমিক ৭ ডিগ্ৰী ছেণ্টিগ্ৰেড উষ্ণতা ৰেকৰ্ড কৰা হয়। যোৰহাট, লখিমপুৰ আৰু মাজবাটত ৩৮ দশমিক ২ ডিগ্ৰী আৰু ৰঙিয়াত ৩৮ ডিগ্ৰী ছেণ্টিগ্ৰেড তাপমাত্ৰা ৰেকৰ্ড কৰা হয়। গুৱাহাটীৰ দিশপুৰ আৰু ইয়াৰ চুবুৰীয়া অঞ্চলত আজি সৰ্বোচ্চ তাপমাত্ৰা ৩৭ ডিগ্ৰী আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৮ ডিগ্ৰী ছেণ্টিগ্ৰেড ৰেকৰ্ড কৰা হয়।

০০০০

অসম চৰকাৰৰ ধবজাবাহী আঁচনি অৰুণোদয়ৰ তৃতীয় পৰ্যায় সফলভাৱে ৰূপায়ণৰ বাবে আজি বৰপেটা জিলাত এখন পুনৰীক্ষণ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত নতুন হিতাধীকাৰী বাচনিৰ বিষয়ত গুৰুত্ব দিয়া হয়। তদুপৰি পূৰ্বৰ পৰা থকা হিতাধিকাৰীৰ তালিকা পুনৰীক্ষণৰ পাছত নাম কৰ্তন হোৱা হিতাধিকাৰীৰ অভিযোগসমূহ পৰ্যালোচনা কৰা হয়। অৰুণোদয়ৰ এই পৰ্যায়ৰ হিতাধিকাৰীৰ তালিকাত যাতে কোনো ধৰণৰ আসোঁৱাহ নাথাকে তাৰ বাবে প্ৰয়াস কৰিবলৈ সংশ্লিষ্ট ব্যক্তিসকলক জিলা আয়ুক্তই নিৰ্দেশ দিয়ে।

০০০০

অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যান বিভাগৰ উদ্যোগত  যোৰহাটৰ এটা সংঘত কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ১০ লাখ টকা মূল্যৰ ক্ৰীড়া সামগ্ৰী বিতৰণ কৰে। সমষ্টি পৰ্যায়ৰ বিত্তীয় অনুদান আঁচনিৰ অধীনত অসমৰ সকলো বিধানসভা সমষ্টি সামৰি                                        ১২৬ টা অগ্ৰণী যুৱক সংঘ বা

ক্ৰীড়া সন্থালৈ বিভিন্ন ক্ৰীড়া সামগ্ৰী যোগান ধৰাৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপৰ অংশ হিচাপে যোৰহাটৰ ঘৰফলিয়া গাওঁৰ ৰমাকান্ত সমাজ কল্যাণ সংঘত আজি ক্ৰীড়া সামগ্ৰীসমূহ বিতৰণ কৰা হয়।

oooo

জলসম্পদ মন্ত্ৰী পিযুছ হাজৰিকাই আজি তিনিচুকীয়াৰ বান আৰু খহনীয়া পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বালিজান, লোহিত আৰু নোৱাদিহিং নদীৰ বান আৰু খহনীয়া সমস্যাৰ বুজ লৈ বালিজান নৈৰ মথাউৰি নিৰ্মাণৰ বাবে বিভিন্ন দিশসমূহ পৰ্যবেক্ষণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে জলসম্পদ বিভাগৰ ডিব্ৰুগড় সংমণ্ডলৰ অধীনত শদিয়াৰ উদয়পুৰ দেউৰী গাঁৱত বালিজান নৈত ৩ কোটি ৫০ লাখ টকা ব্যয় সাপেক্ষে খহনীয়া প্ৰতিৰোধী প্ৰকল্পৰ কাম কৰা হৈছিল। এই পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীক শদিয়াৰ বিধায়ক বলিন চেতিয়াই সংগ দিয়ে।

oooo

মৰিগাঁও জিলা পুথি ভঁৰাল প্ৰেক্ষাগৃহত আজি ভাৰতীয় ৰিজাৰ্ভ বেংকৰ লোকপাল আঁচনি- ২০২১ সন্দৰ্ভত এটা সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। গুৱাহাটীৰ লোকপাল কাৰ্যালয়ৰ উদ্যোগত আৰু মৰিগাঁও জিলা প্ৰশাসনৰ সহযোগত অনুষ্ঠিত এই কাৰ্যসূচীৰ অংশ লৈ মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশিষ শৰ্মাই কয়, যে বিত্তীয় সাক্ষৰতা সন্দৰ্ভত আয়োজন কৰা এই সজাগতা কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰী আৰু বিষয়া কৰ্মচাৰীসকলক বিশেষভাৱে উপকৃত কৰিব। মৰিগাঁও জিলাত ক্ৰমশঃ বৃদ্ধি পোৱা চাইবাৰ অপৰাধক লৈ উদ্বিগ্নতা প্ৰকাশ কৰি জিলা আয়ুক্তগৰাকীয়ে কয়, যে নতুন প্ৰজন্ম বিত্তিয় পৰিকল্পনা সন্দৰ্ভত উপযুক্তভাৱে দীক্ষিত হ'লেহে সুস্থ-সবল ভৱিষ্যৎ সুনিশ্চিত হ'ব। অনুষ্ঠানত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ উত্তৰ-পূৰ্বাঞ্চলৰ লোকপাল ববীলাল ছেবাষ্টিয়ানে বিত্তীয় অন্তৰ্ভুক্তি আৰু বিত্তীয় সাক্ষৰতা সন্দৰ্ভত আলোকপাত কৰে। তেওঁ জনসাধাৰণক স্মাৰ্ট ফোন ব্যৱহাৰৰ ক্ষেত্ৰত, বিশেষকৈ ইউ পি আই ব্যৱহাৰ কৰোতে সাৱধান হ'বলৈ আহ্বান জনায়। ঋণৰ প্ৰসংগ উল্লেখ কৰি লোকপাল গৰাকীয়ে পৰিশোধৰ ক্ষমতা অনুসৰিহে ঋণ লোৱা উচিত বুলি উল্লেখ কৰে। তেওঁ চাইবাৰ অভিযোগৰ ক্ষেত্ৰত ১৯৩০ নম্বৰ আৰু লোকপাল সম্পৰ্কীয় অভিযোগৰ ক্ষেত্ৰত ১৪৪৮ নম্বৰত ফোন কৰি ওজৰ-আপত্তি দাখিল কৰিব পাৰিব বুলি জানিবলৈ দিয়ে।

oooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত বিভিন্ন উন্নয়নমূলক কামকাজ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হ'ব। তেওঁ লগতে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চিটী হাস্পতালৰ আধাৰশিলা স্থাপন কৰাৰ উপৰি পুৰনি চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব। ড০ শৰ্মাই দেওবাৰে দিহিং খামতিঘাটতো এখন ৰাজহুৱা সভাত ভাগ ল'ব। দুদিনীয়া ডিব্ৰুগড় ভ্ৰমণকালত মুখ্যমন্ত্ৰীগৰাকীয়ে ধেমাজিৰ চিচিবৰগাঁও, মাজুলী, মাহমৰাকে ধৰি কেইবাটাও বিধানসভা সমষ্টিৰ উন্নয়নমূলক কামকাজৰ পৰ্যালোচনা কৰিব।

oooo

বজালী জিলাৰ পাঠশালাৰ অপেচাদাৰী নাট্যগোষ্ঠী নাটমণ্ডল পাঠশালাই শিশু নাট কৰ্মশালাৰ আয়োজন কৰিছে। অহা ১ জুলাইৰ পৰা ৩১ জুলাইলৈ হবলগীয়া এই নাট কৰ্মশালাত অসমৰ বিভিন্ন প্ৰান্তৰ নাট প্ৰশিক্ষকে

প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰিব। ৮ বছৰৰ পৰা ১৭ বছৰ বয়সৰ সকলো শিশু চেমনীয়াই নিৰ্ধাৰিত ভৰ্তি মাচুলেৰে এই কৰ্মশালাত যোগদান কৰিব পাৰিব। এই কৰ্মশালাত  যোগদানৰ বাবে ৯৯৫৪৭৯৬২৪২ ফোন নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ চৌহদত যোৱা ১১ জুনৰ পৰা আৰম্ভ হোৱা পুলিবাগান, গছৰোপণ প্ৰযুক্তি আৰু কৃষি বনানীকৰণৰ তিনিদিনীয়া দক্ষতা বিকাশ প্ৰশিক্ষণৰ আজি সামৰণি পৰে। অসম কৃষি বনানীকৰণ উন্নয়ন বোৰ্ডৰ পৃষ্ঠপোষকতাত আৰু প্ৰতিষ্ঠানৰ জ্যেষ্ঠ বিজ্ঞানী ৰাজীৱ কুমাৰ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত গোলাঘাটৰ মেৰাপানী অঞ্চলৰ ২০ জন প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। প্ৰতিষ্ঠানৰ গৱেষণা সমন্বয়ক ড° ৰাজীৱ কুমাৰ বৰাই এই প্ৰশিক্ষণ কাৰ্যসূচী প্ৰদান কৰে। ড° ৰাজীৱ কুমাৰ বৰাই সাচিগছ আৰু ইয়াৰ গুৰুত্ব, ৰোপন আৰু ব্যৱস্থা, কৃত্ৰিম পদ্ধতিৰে ভেকুৰ প্ৰক্ষেপন আদি বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰে। দ্বিতীয় দিনৰ কাৰ্যসূচীত বীজ সংগ্ৰহ, অংকুৰণ, সুপ্তাৱস্থা, জীৱন ধাৰণ ক্ষমতা আৰু সংৰক্ষণ আদি বিষয়সমূহ সামৰি ড° মিতালী মেহতাই আলোচনা আগবঢ়ায়। প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত  প্ৰতিষ্ঠানৰ সঞ্চালক ড° নীতিন কুলকাৰ্ণি অংশগ্ৰহণকাৰীসকলৰ মাজত প্ৰমাণপত্ৰ বিতৰণ কৰে।

০০০০

গুৱাহাটীৰ বশিষ্ঠ আৰক্ষীয়ে আজি যোৰাবাটত অভিযান চলাই অবৈধভাৱে সৰবৰাহ কৰা ২৫০ বেগ চৰকাৰী ইউৰিয়া সাৰ জব্দ কৰে। ইউৰিয়া সাৰখিনি এখন গাড়ীৰে মেঘালয়লৈ লৈ যোৱা হৈছিল। আৰক্ষীয়ে ঘটনা সংক্ৰান্তত গাড়ীখনৰ চালক বৰপেটাৰ ছহিদুল খানক আটক কৰিছে।

০০০০

আই চি চি টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে জয়লাভৰ বাবে দক্ষিণ আফ্ৰিকাক দ্বিতীয় ইনিংছত ২৮২ ৰানৰ প্ৰয়োজন হৈছে। আজি খেলখনৰ তৃতীয় দিনা মধ্যাহ্ন বিৰতিৰ পাছত দক্ষিণ আফ্ৰিকাই খেলিবলৈ লৈ এক উইকেটৰ বিনিময়ত ৫১ ৰান সংগ্ৰহ কৰিছে। এইডেন মাক্ৰামে ২৩ ৰান আৰু উইলিয়াম মুলদাৰে ২৩ ৰান কৰি খেলি আছে। ইয়াৰ আগতে মিছেইল ষ্ট্ৰাৰ্কৰ অপৰাজিত ৫৮ ৰানৰ সহযোগত অষ্ট্ৰেলিয়াই দ্বিতীয় ইনিংছত ২০৭ ৰান সংগ্ৰহ কৰে আৰু সামগ্ৰিকভাৱে দক্ষিণ আফ্ৰিকাতকৈ ২৮১ ৰানত আগবাঢ়ি থাকে। ৰাবাদাই ৪ টা আৰু নিকিডিয়ে ৩টা উইকেট দখল কৰে।

০০০০

সমাপ্ত